NSD NEWS BULLETIN
AKASHVANI, GUWAHATI
0000000000

**Date :** 19-06-2024
**Time :** 07.05 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আজি বিহাৰৰ ৰাজগীৰত নালান্দা বিশ্ববিদ্যালয়ৰ নতুন চৌহদ মুকলি কৰিব।

২। ডাকঘৰ আইন, ২০২৩ কালিৰে পৰা প্ৰযোজ্য হৈছে।

৩। কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে কেৰালাৰ ৱায়নাড লোকসভা আসন ত্যাগ কৰিছে।

৪। অলিম্পিক আৰু বিশ্ব চেম্পিয়ন নীৰজ চোপ্ৰাই ফিনলেণ্ডৰ টুৰ্কুত অনুষ্ঠিত বিশ্ব এথলেটিকছ কণ্টিনেণ্টেল গোল্ড ট্যুৰ প্ৰতিযোগিতাৰ পুৰুষৰ জেভলিন থ্ৰোত সোণৰ পদক অৰ্জন কৰিছে। *আৰু*

৫। আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ এইট পৰ্যায়ৰ খেলসমূহ আজি আৰম্ভ হ'ব।

oooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আজি বিহাৰলৈ যাব। তাত তেওঁ নালান্দা জিলাৰ ৰাজগীৰত নালান্দা বিশ্ববিদ্যালয়ৰ নতুন চৌহদ মুকলি কৰিব। বিশ্ববিদ্যালয়খনৰ সুষমা স্বৰাজ প্ৰেক্ষাগৃহত পুৱা প্ৰায় ১০ বজাত উদ্বোধনী অনুষ্ঠান আৰম্ভ কৰাৰ কথা আছে। প্ৰধানমন্ত্ৰীয়ে লগতে বিশ্ব ঐতিহ্য নালান্দা বিশ্ববিদ্যালয়ৰ প্ৰাচীন ভগ্নাসাৱশেষ পৰিদৰ্শন কৰিব। এই ভগ্নাৱশেষৰ নৱনিৰ্মিত বিশ্ববিদ্যালয়ৰ সৈতে গভীৰ সম্পৰ্ক আছে। ভাৰত আৰু পূব এছিয়াৰ শীৰ্ষ সন্মিলন ৰাষ্ট্ৰৰ মাজৰ যৌথ সহযোগিতাৰ অংশ হিচাপে নালান্দা বিশ্ববিদ্যালয়ক কল্পনা কৰা হৈছে। নতুন চৌহদৰ উদ্বোধনী অনুষ্ঠানত বিহাৰৰ ৰাজ্যপাল ৰাজেন্দ্ৰ বিশ্বনাথ আৰ্লেকাৰ, মুখ্যমন্ত্ৰী নীতিশ কুমাৰ, বিদেশ মন্ত্ৰী ড০ এছ, জয়শংকৰ আৰু ১৭খন দেশৰ মিছন মুৰববী সহ ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকিব। ৪৫০ একৰৰো অধিক ভূমি সামৰি থকা বিশ্ববিদ্যালয় সকলো ধৰণৰ অত্যাধুনিক আন্তঃগাঁথনিনে সুসজ্জিত। পৰিবেশ সংৰক্ষণৰ বিষয়বস্তুৰ ওপৰত ভিত্তি কৰি চৌহদটো শূণ্য সেউজ গৃহ গেছ নিৰ্গমন অট্টালিকা হিচাপে নিৰ্মাণ কৰা হৈছে। সৌৰ প্ৰকল্প, খোৱাপানী পৰিশোধন প্ৰকল্প আৰু ব্যৱহৃত পানী পুনৰব্যৱহাৰ্য প্ৰকল্পৰে সুসজ্জিত এই চৌহদটো আৱশ্যকীয় শক্তি আৰু অন্য চাহিদাৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীল হ'ব। চৌহদটোৰ ১০০ একৰ ভূমিত কেইবাটাও জল নিকায় আৰু অন্য পৰিবেশ অনুকূল সুবিধা গঢ়ি তোলা হৈছে। বিশ্ববিদ্যালয়খনত ২০১৪ চনত শিক্ষাৰ্থীৰ প্ৰথমটো গোটৰ নামভৰ্তি কৰা হৈছিল আৰু ৰাজগীৰৰ অস্থায়ী চৌহদত পাঠদান আৰম্ভ হৈছিল। সম্প্ৰতি বিশ্ববিদ্যালয়খনত ৬টা প্ৰতিষ্ঠান আছে। ইয়াৰ ভিতৰত ইতিহাস অধ্যয়ন প্ৰতিষ্ঠান, পৰিবেশ অধ্যয়ন প্ৰতিষ্ঠান আৰু বৌদ্ধ দৰ্শন, দৰ্শন শাস্ত্ৰ আৰু তুলনাত্মক ধৰ্ম অধ্যয়ন প্ৰতিষ্ঠান অন্যতম। বিশ্ব শান্তিৰ প্ৰসাৰ আৰু ভগৱান বুদ্ধৰ দৰ্শনৰ গৱেষণাৰ বাবে বিশ্ববিদ্যালয়খনে আন্তঃৰাষ্ট্ৰীয় সম্পৰ্ক আৰু শান্তি অধ্যয়ন প্ৰতিষ্ঠান স্থাপন কৰিছে। প্ৰাচীন আৱাসিক নালান্দা বিশ্ববিদ্যালয়ৰ আৰ্হি অনুসৰি বিশ্ববিদ্যালয়খনত ৫০০গৰাকী ছাত্ৰ-ছাত্ৰীৰ বাবে ছাত্ৰাবাসৰ ব্যৱস্থা কৰা হৈছে। বিশ্ববিদ্যালয় চৌহদত দুটা শৈক্ষিক খণ্ড আছে। এই খণ্ড দুটাত মুঠ ৪০টা শ্ৰেণীকোঠা আছে। এই শ্ৰেণীকোঠাসমূহত প্ৰায় এহেজাৰ ৯০০ গৰাকী ছাত্ৰ-ছাত্ৰীৰ বাবে শিক্ষা গ্ৰহণৰ সুবিধা আছে।

০০০০

ডাকঘৰ আইন, ২০২৩ কালিৰে পৰা প্ৰযোজ্য হৈছে। এই আইনখনে ১৮৯৮ চনৰ ভাৰতীয় ডাকঘৰ আইনৰ ঠাই লৈছে। নতুন আইনখন অনুসৰি চৰকাৰে দেশৰ সুৰক্ষা আৰু ৰাজহুৱা শৃংখলাকে ধৰি কেতবোৰ বিশেষ কাৰণত ভাৰতীয় ডাক বিভাগৰ জৰিয়তে প্ৰেৰণ কৰা যিকোনো সামগ্ৰী গন্তব্যস্থান গৈ পোৱাৰ আগতে বাধা প্ৰদান কৰিব পাৰিব। জৰুৰীকালীন অৱস্থাত অথবা সুৰক্ষা তথা শান্তি-শৃংখলাৰ স্বাৰ্থত এনে কৰিব পৰা যাব।

কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ তথা উভয় চৰকাৰৰ দ্বাৰা নিয়োজিত যিকোনো বিষয়াই এনে কৰিব পাৰিব। নতুন আইনৰ অধীনত ডাক বিভাগৰ জৰিয়তে কোনো নিষিদ্ধ সামগ্ৰী প্ৰেৰণ কৰিলে নিয়োজিত বিষয়াই তেনে পাৰ্চেল খুলি চাব পাৰিব, জব্দ অথবা বিনষ্ট কৰিব পাৰিব। ডাক সেৱাৰ সঞ্চালক প্ৰধানগৰাকী ভাৰতীয় ডাক বিভাগৰ মুৰব্বী হিচাপে নিয়োগ কৰা হ'ব বুলি আইনখনত উল্লেখ কৰা হৈছে। তেওঁৰ সেৱা শুল্ক আৰু ডাক টিকটৰ যোগানকে ধৰি বিভিন্ন বিষয় নিয়ন্ত্ৰণৰ অধিকাৰ থাকিব। সংসদত যোৱা বছৰ ডাকঘৰ বিধেয়ক, ২০২৩ গৃহীত হৈছিল। ৰাষ্ট্ৰপতিয়ে যোৱা ২৪ ডিচেম্বৰত বিধেয়কখনত অনুমোদন জনাইছিল।

০০০০

কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে কেৰালাৰ ৱায়নাড লোকসভা আসন ত্যাগ কৰিছে। শ্ৰীগান্ধী পদত্যাগ পত্ৰ লোকসভাৰ অধ্যক্ষ ওম বিৰলাই কালি গ্ৰহণ কৰে।

কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেই কালি কৈছিল যে কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে ৰায়বেৰেলি আসনখন নিজৰ হাতত ৰাখিব আৰু ৱায়নাড আসনখন ত্যাগ কৰিব। নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শ্ৰীখাৰ্গেই কৈছিল যে প্ৰিয়ংকা গান্ধী ৱাদ্ৰাই কেৰালাৰ ৱায়নাড সমষ্টিৰ পৰা নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হ'ব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ৩০ জুনত আকাশবাণীযোগে প্ৰচাৰ হবলগীয়া মন কী বাত অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে  নৰেন্দ্ৰ মোদী এপ, মাই গভ মুকলি মঞ্চৰ জৰিয়তে অথবা ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰত ফোন কৰি পৰামৰ্শ আগবঢ়াবলৈ সকলোৰে প্ৰতি আহ্বান জনাইছে। অনুষ্ঠানটিৰ এই  খণ্ডটিৰ বাবে ২৮ জুন পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

এয়া অনুষ্ঠানটিৰ ১১১ সংখ্যক আৰু শ্ৰীমোদী  একেৰাহে তৃতীয় কাৰ্যকালৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত হোৱাৰ পাছত প্ৰচাৰ হবলগীয়া প্ৰথম খণ্ড।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেৱছাইট আৰু নিউজ অন মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙৰ নতুন দিল্লীস্থিত বাসগৃহত কালি বিজেপিৰ জ্যেষ্ঠ নেতা আৰু কেন্দ্ৰীয় মন্ত্ৰীসকলৰ এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। কেন্দ্ৰীয় মন্ত্ৰী মনোহৰ লাল, ধৰ্মেন্দ্ৰ প্ৰধান, কিৰেন ৰিজিজু, ডাঃ এছ জয়শংকৰ আৰু চিৰাগ পাছৱানে এই বৈঠকত অংশগ্ৰহণ কৰে। ২৪ জুনত আৰম্ভ হ'বলগীয়া সংসদৰ অধিৱেশনৰ পূৰ্বে এই বৈঠক অনুষ্ঠিত হৈছে। নিৰ্বাচনৰ পিছত গঠন হোৱা অষ্টাদশ লোকসভাৰ প্ৰথমখন

অধিৱেশনতে নৱনিৰ্বাচিত সদস্যসকলৰ শপত গ্ৰহণ, সদনৰ অধ্যক্ষৰ নিৰ্বাচন অনুষ্ঠিত হ'ব আৰু ৰাষ্ট্ৰপতিয়ে উভয় সদনক উদ্দেশ্যি ভাষণ দিব। ৰাজ্যসভাৰ অধিৱেশন অহা ২৭ জুনত আৰম্ভ হ'ব। অহা ৩ জুলাইত সংসদৰ অধিৱেশনৰ সামৰণি পৰিব।

০০০০

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আৰু বিজেপিৰ সভাপতি জে পি নাড্ডাৰ সভাপতিত্বত কালি নতুন দিল্লীস্থিত দলৰ মুখ্য কাৰ্যালয়ত মহাৰাষ্ট্ৰ বিজেপি কোৰ কমিটীৰ এখন বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত মহাৰাষ্ট্ৰৰ উপ-মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নবিছ, কেন্দ্ৰীয় মন্ত্ৰী ভূপেন্দ্ৰ যাদৱ, অশ্বিনী বৈষ্ণৱ, পীযুষ গোৱেল, বিজেপিৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক বিনোদ তাওৰে আৰু বি.এল. সন্তোষে অংশগ্ৰহণ কৰে। পৰহি দলটোৱে ভূপেন্দৰ যাদৱক ৰাজ্যিক নিৰ্বাচনী প্ৰভাৰী আৰু অশ্বিনী বৈষ্ণৱক মহাৰাষ্ট্ৰ বিধানসভা নিৰ্বাচনৰ বাবে সহ-প্ৰভাৰী হিচাপে নিযুক্তি দিছিল।

০০০০

পশ্চিমবংগৰ দাৰ্জিলিং জিলাৰ সমীপৰ নিউ জলপাইগুৰি  ষ্টেছনৰ ওচৰত সংঘটিত ৰেল দুৰ্ঘটনাৰ পাছত ৰেলপথছোৱাৰে  কালি স্বাভাৱিক ৰেল চলাচল আৰম্ভ হৈছে। উত্তৰ পূৰ সীমান্ত ৰেলৱে প্ৰকাশ কৰা মতে, ৰেলপথছোৱাৰে নামনিমুৱা সেৱা কালি পুৱা চাৰে সাত বজাত পুনৰ আৰম্ভ কৰা হৈছে। অবধ আসাম এক্সপ্ৰেছ ৰেলগাড়ীখন এই পথছোৱাৰে প্ৰায় ১০ বাজি ৪২ মিনিটত পাৰ হৈ গৈছিল। ৰেলপথছোৱাৰে সোমবাৰে উজনিমুৱা সেৱা বাহাল কৰা হৈছিল।

ইপিনে, এই ৰেল দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা লোকৰ সংখ্যা ১০লৈ বৃদ্ধি পাইছে। দুৰ্ঘটনাত গুৰুতৰভাৱে আহত ১০গৰাকী লোকৰ চিকিৎসা অব্যাহত আছে। ৰে'লৱে সুৰক্ষা বিভাগৰ মুখ্য আয়ুক্ত জনক কুমাৰ গাৰ্গে এই দুৰ্ঘটনাৰ বিধিগত তদন্ত আৰম্ভ কৰিছে।

০০০০

অলিম্পিক আৰু বিশ্ব চেম্পিয়ন নীৰজ চোপ্ৰাই ফিনলেণ্ডৰ টুৰ্কুত অনুষ্ঠিত বিশ্ব এথলেটিকছ কণ্টিনেণ্টেণ্ট গোল্ড ট্যুৰ প্ৰতিযোগিতাৰ পুৰুষৰ জেভলিন থ্ৰোত সোণৰ পদক অৰ্জন কৰিছে। নীৰজে যোৱা নিশা  ৮৩ দশমিক ৬-২ মিটাৰলৈ যাঠি নিক্ষেপ কৰি   প্ৰতিযোগিতাত অভিযান আৰম্ভ কৰে। পাছত খেলুৱৈগৰাকীয়ে তৃতীয় প্ৰচেষ্টাত ৮৫ দশমিক ৯-৭ মিটাৰলৈ যাঠি নিক্ষেপ কৰি সোণৰ পদক হস্তগত কৰে।

০০০০

আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ এইট পৰ্যায়ৰ খেলসমূহ আজি আৰম্ভ হ'ব। এই পৰ্যায়ৰ আটাইকেইখন খেল ৱেষ্ট ইণ্ডিজত অনুষ্ঠিত হ'ব। ছুপাৰ এইট পৰ্যায়ৰ প্ৰথমখন খেলত আজি আমেৰিকা যুক্তৰাষ্ট্ৰে দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। মুঠ আঠটা দলে এই পৰ্যায়লৈ যোগ্যতা অৰ্জন কৰিছে। দলসমূহক দুটা ভাগত বিভক্ত কৰা হৈছে।  ভাৰত, অষ্ট্ৰেলিয়া, বাংলাদেশ আৰু আফগানিস্তানক প্ৰথমটো গ্ৰুপত স্থান দিয়া হৈছে। আমেৰিকা যুক্তৰাষ্ট্ৰ, ইংলেণ্ড, ৱেষ্ট ইণ্ডিজ আৰু দক্ষিণ আফ্ৰিকাক দ্বিতীয়টো গ্ৰুপত অন্তৰ্ভুক্ত কৰা হৈছে।

প্ৰতিটো গ্ৰুপৰ শীৰ্ষৰ দল দুটাই ছেমি ফাইনেললৈ যোগ্যতা অৰ্জন কৰিব। ছুপাৰ এইট পৰ্যায়ত প্ৰতিটো দলে তিনিখনকৈ খেল খেলিব আৰু ছেমি ফাইনেলত প্ৰৱেশৰ বাবে কমেও দুখন খেলত জয়ী হ'ব লাগিব। ছেমি ফাইনেলত বিজয়ী দল দুটাৰ মাজত ২৯ জুনত বাৰবাডোছত ফাইনেল খেল অনুষ্ঠিত হ'ব।

০০০০

দক্ষতা বিকাশ আৰু উদ্যমিতা মন্ত্ৰালয়ৰ কেন্দ্ৰীয় মন্ত্ৰী জয়ন্ত চৌধুৰীয়ে কালি নতুন দিল্লীত প্ৰশিক্ষণ সঞ্চালকালয়ৰ কাম-কাজসমূহৰ বিস্তৃত পৰ্যালোচনা কৰে। যোৱা দশকত পাঁচ হাজাৰতকৈ অধিক প্ৰতিষ্ঠান সংযোজন কৰাৰ বাবে তেওঁ প্ৰশিক্ষণ সঞ্চালকালয়ৰ প্ৰচেষ্টাক শলাগ লয়। তেওঁ দেশৰ দক্ষতা বিকাশৰ পৰিৱেশ উত্তৰণৰ ক্ষেত্ৰত চৰকাৰৰ দায়বদ্ধতাৰ বিষয়ে উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে চৰকাৰী সংস্থা, উদ্যোগ, আৰু শিক্ষানুষ্ঠানসমূহক লৈ এটা শক্তিশালী দক্ষতা বিকাশৰ পৰিৱেশ সৃষ্টিৰ বাবে আহ্বান জনায়। তেওঁ লগতে প্ৰশিক্ষণৰ মান উন্নত কৰা আৰু নিয়োগ বৃদ্ধিৰ লক্ষ্যৰে লোৱা পদক্ষেপসমূহৰ বিষয়ে পৰ্যালোচনা কৰে।

০০০০

সমাপ্ত